**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত পাঁচ বছৰত অসম এখন আন্দোলন আৰু সন্ত্ৰাসজৰ্জৰ ৰাজ্যৰ পৰা দেশৰ দ্ৰুত বিকশিত ৰাজ্যত পৰিণত হোৱা বুলি মন্তব্য কৰিছে। প্ৰতিবছৰৰ দৰে ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকলৰ সৈতে 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেলত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২০ৰ পৰা ২০২৫ চনলৈ অসমৰ বিকাশৰ হাৰ ৪৫ শতাংশলৈ বৃদ্ধি পাইছে। ৰাজ্যখনত জনমূৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱাৰ লগতে বিগত সময়ছোৱাত ৰাজহো ৫৩ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলটোত দুটা লেনযুক্ত ৰে'লপথ সংযোজন কৰাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কালি সংবাদমেলত উল্লেখ কৰে।

**বাইট (চি এম)**

১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰথমটো নদী সুৰংগ নিৰ্মাণ হৈ উঠিলে নুমলীগড়ৰৰ পৰা গহপুৰৰ মাজৰ ২৪০ কিলোমিটাৰ দৈৰ্ঘ্য কেৱল ৩৫ কিলোমিটাৰ হ'বগৈ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ পাছতেই অসমে দেশৰ প্ৰথম ৰাজ্য হিচাপে অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ দাসৰ নেতৃত্বত গঠন হ'বলগীয়া এই দৰমহা আয়োগ সম্পৰ্কত জানুৱাৰীৰ প্ৰথম সপ্তাহতে অধিসূচনা জাৰি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত সদৰি কৰে।

সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত অসমে উল্লেখনীয় অগ্ৰগতি লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে পৰৱৰ্তী ডেৰ মাহৰ ভিতৰতে ৰাজ্যখনত অতিৰিক্ত ৩৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰা হ'ব আৰু ইয়াক গ্ৰীডত সংযুক্ত কৰা হ'ব। পাঁচটা জলবিদ্যুৎ প্ৰকল্পত দিনৰ ভাগত সৌৰশক্তিচালিত পাম্পেৰে জলৰাশি উত্তোলন কৰি নিশাৰ ভাগত এই জলৰাশিৰে টাৰ্বাইনৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদনৰ এটা অভিনৱ আঁচনিৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

নতুন বছৰটোত চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ প্ৰদান কৰিবলগীয়া সুবিধাসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে কালিৰ সংবাদমেলত প্ৰকাশ কৰে। দেশৰ ভিতৰতে চৰকাৰী খণ্ডত অসমত প্ৰথমটো কৰ্কট ৰোগৰ প্ৰটন থেৰাপী মেচিন স্থাপন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

ৰাজ্যৰ শিক্ষাখণ্ডত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ভালেখিনি কম হৈছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে উচ্চ মাধ্যমিকত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ পূৰ্বৰ ৩০ শতাংশৰ পৰা বৰ্তমান ১৭ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে।

ড° শৰ্মাই ছুইজাৰলেণ্ডৰ ডাভ'ছত হ'বলগীয়া বিশ্ব অৰ্থনৈতিক মঞ্চত এইবাৰ দেশৰ উন্নত দুখন ৰাজ্য মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰপ্ৰদেশৰ লগতে অসমক পোনপ্ৰথমবাৰৰ বাবে আমন্ত্ৰণ জনোৱাটো গৌৰৱৰ কথা বুলিও অভিহিত কৰে।

০০০০০০

মহিলা সৱলীকৰণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে শোণিতপুৰ জিলাৰ বৰচলা বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৬৫৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। বৰচলাৰ ঠেলামৰা ঘাটগাঁৱৰ ৰাজহুৱা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে বৰচলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে ৩৫২ কোটি টকা ব্যয় সাপেক্ষে জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই ১১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা সৰকাই মিনি ষ্টেডিয়াম উদ্বোধন কৰিব। তেওঁ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয় চৌহদত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু শোণিতপুৰৰ নিজ-বিহগুৰিত  কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

হোজাই জিলা প্ৰশাসনে আজি ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত উচ্ছেদ চলাব। ইয়াৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰে।

এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ১৭০টা পৰিয়ালৰ ভিতৰত এহেজাৰ ১৮টা পৰিয়ালক উচ্ছেদ কৰা হ'ব। বাকী ১৫২টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। ইপিনে উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে স্থানীয় বিধায়কসহ একাংশই ভূমিহীনসকলক পুনৰ সংস্থাপনৰ দাবী জনাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে বিশেষ চৰকাৰী অধিবক্তা নিযুক্তি দিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিনৰ আলাপ শীৰ্ষক এটা অনুষ্ঠানত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৫ বৰ্ষত জুবিনৰ দৰে মহান শিল্পী এগৰাকীক হেৰুওৱাটো জাতিৰ বাবে দুৰ্ভাগ্যৰ বিষয়। জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আৰক্ষীয়ে তিনি মাহৰ ভিতৰত সমগ্ৰ ঘটনাৰ তদন্ত কৰি আদালতত অভিযোগনামা দাখিল কৰাটো নিশ্চিতভাৱে এটা উল্লেখযোগ্য বিষয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰত লাভ কৰিব পৰা যায় তাৰ বাবে চৰকাৰে অহা ১২ জানুৱাৰীৰ পৰা এজন বিশেষ চৰকাৰী অধিবক্তা নিয়োগ কৰিব বুলি জানিবলৈ দিয়ে। ইয়াৰ বাবে গুৱাহাটীৰ কেইবাগৰাকী জ্যেষ্ঠ অধিবক্তাৰ সৈতে আলোচনা কৰা হৈছে আৰু অহা ৬ জানুৱাৰীৰ ভিতৰত বিশেষ চৰকাৰী অধিবক্তাজনৰ নাম ঘোষণা কৰা হ'ব।

০০০০০০

**সমাপ্ত**